**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-JUNE-2026
**Time :** 18-45 PM

***Assamese Evening Bulletin***

১। ২০২৩-২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপৰ প্ৰতিবেদনত অসমৰ চমকপ্ৰদ সফলতা।

২। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নতুন দিল্লীত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ। ৰাজ্যৰ বিকাশৰ স্থিতি সন্দৰ্ভত আলোচনা।

৩। বাংলাদেশৰ সৈতে শৈক্ষিক বিনিময় সন্দৰ্ভত দেশখনৰ সহকাৰী উচ্চায়ুক্তৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দ্বিপাক্ষিক আলোচনা।

৪। মানস ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে ৰিভাৰ ৰাফ্‌টিং আৰু হাতী চাফাৰী বন্ধ।

**আৰু**

৫। ৰাজ্যজুৰি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ সংখ্যক জয়ন্তী পালন।

০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে আজি ২০২৩-২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপৰ ষষ্ঠ প্ৰতিবেদন প্ৰকাশ কৰে। মন্ত্ৰালয়ৰ অধীনস্থ আন্তঃৰাষ্ট্ৰীয় জনসংখ্যা বিজ্ঞান প্ৰতিষ্ঠানে প্ৰস্তুত কৰি উলিওৱা প্ৰতিবেদনৰ তথ্য অনুসৰি অসমে কেইবাটাও দিশত পূৰ্বৰ তুলনাত অভূতপূৰ্ব সফলতা অৰ্জন কৰিছে। ৰাজ্যত দীৰ্ঘদিন ধৰি চলি থকা বাল্যবিবাহ বিৰোধী সজাগতা আৰু চৰকাৰী পদক্ষেপৰ ইতিবাচক প্ৰভাৱ প্ৰতিবেদনত স্পষ্টকৈ প্ৰতিফলিত হৈছে। তথ্য অনুসৰি, ১৮ বছৰ পূৰ্বে বিবাহপাশত আবদ্ধ হোৱা ২০ৰ পৰা ২৪ বছৰীয়া যুৱতীৰ হাৰ পূৰ্বৰ ৩১ দশমিক ৮ শতাংশৰ পৰা এইবাৰ ২৫ দশমিক ৩ শতাংশলৈ হ্ৰাস পাইছে। একেদৰে ২১ বছৰ পূৰ্বে বিয়াত বহা যুৱকৰ হাৰো ২১ দশমিক ৮ শতাংশৰ পৰা ১৭ দশমিক ৫ শতাংশলৈ অৱনমিত হৈছে।

মহিলা সবলীকৰণ আৰু ডিজিটেল অসমৰ দিশতো উল্লেখনীয় অগ্ৰগতি লাভ কৰা পৰিলক্ষিত হৈছে। ৰাজ্যত ১০ বছৰ বা ততোধিক কাল বিদ্যালয়লৈ যোৱা মহিলাৰ সংখ্যা ২৯ দশমিক ৬ শতাংশৰ পৰা ৩৭ দশমিক ১ শতাংশলৈ বৃদ্ধি পাইছে। ফলস্বৰূপে ৰাজ্যত ইণ্টাৰনেট ব্যৱহাৰকাৰী মহিলাৰ সংখ্যা পূৰ্বৰ ২৮ দশমিক ২ শতাংশৰ পৰা প্ৰায় দুগুণ বৃদ্ধি পাই ৫৩ দশমিক ৫ শতাংশ স্পৰ্শ কৰিছে। একেদৰে, বেংক একাউণ্ট নিজে পৰিচালনা কৰা মহিলাৰ সংখ্যাও পূৰ্বৰ ৭৮ দশমিক ৫ শতাংশৰ পৰা ৯১ দশমিক ৭ শতাংশলৈ বৃদ্ধি পাইছে।

মাতৃ আৰু শিশুৰ স্বাস্থ্যৰ ক্ষেত্ৰতো অসমে আশানুৰূপ সফলতা লাভ কৰিছে। চিকিৎসালয় বা স্বাস্থ্য কেন্দ্ৰত সন্তান প্ৰসৱৰ হাৰ ৮৪ শতাংশৰ পৰা প্ৰায় ৮৮ শতাংশলৈ বৃদ্ধি পাইছে। একেদৰে এবছৰৰ পৰা দুবছৰৰ শিশুৰ সম্পূৰ্ণ টিকাকৰণৰ হাৰ পূৰ্বৰ ৬৬ দশমিক ৭ শতাংশৰ পৰা ৮১ দশমিক ৭ শতাংশলৈ বৃদ্ধি পাইছে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

শিশুৰ পুষ্টিহীনতা দূৰ কৰাৰ ক্ষেত্ৰতো অসমে গতিলাভ কৰিছে। পাঁচ বছৰ অনুৰ্দ্ধন শিশুৰ ক্ষেত্ৰত দেখা পোৱা শাৰিৰীক বৃদ্ধিৰ প্ৰতিবন্ধকতাৰ হাৰ ৩৫ দশমিক ৩ শতাংশৰ পৰা ৩০ দশমিক ৩ শতাংশলৈ, আৰু জোখতকৈ কম ওজনৰ শিশুৰ হাৰ ৩২ দশমিক ৮ শতাংশৰ পৰা ৩০ দশমিক ৭ শতাংশলৈ হ্ৰাস পাইছে। বিশেষজ্ঞসকলৰ মতে যোৱা কেইবছৰ মানত ৰাজ্যত ৰূপায়িত হোৱা বিভিন্ন কল্যাণকামী আঁচনি আৰু তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ নিৰন্তৰ প্ৰচেষ্টাৰ বাবেই অসমে এই সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাক সাক্ষাৎ কৰি ৰাজ্যৰ স্বাস্থ্যখণ্ডত বিকাশৰ বাবে তেওঁৰ নিৰন্তৰ প্ৰচেষ্টাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যখনৰ বিকাশৰ গতি সম্পৰ্কে অৱগত কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয়, যে নিজৰ সততা আৰু নিষ্ঠাৰে জনসেৱাৰ ক্ষেত্ৰত নজিৰ সৃষ্টি কৰা ৰাধাকৃষ্ণণক সাক্ষাৎ কৰাটো এটা শিক্ষণৰ অভিজ্ঞতা বুলি ক'ব পাৰি। মুখ্যমন্ত্ৰীয়ে অনাগত সময়তো উপ-ৰাষ্ট্ৰপতিগৰাকীৰ পৰামৰ্শ আৰু সহযোগিতা কামনা কৰে।

ইপিনে, ৰাজ্যখনক দেশৰ ক্ৰীড়াৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা কামনা কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ তথা যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মাণ্ডাভিয়াক সাক্ষাৎ কৰি অসমৰ ক্ৰীড়াক্ষেত্ৰৰ আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যম এক্সত দিয়া বাৰ্তাত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বিজেপিয়ে **সেৱা প্ৰথম** মনোভাৱেৰে কাম কৰি আহিছে। ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী মাণ্ডাভিয়াৰ জন্মদিন উপলক্ষে তেওঁৰ বাসগৃহত সাক্ষাৎ কৰি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অসমৰ ক্ৰীড়াক্ষেত্ৰৰ উন্নয়নৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। উল্লেখযোগ্য যে অসম চৰকাৰে ৰাজ্যখনৰ ক্ৰীড়া আন্তঃগাঁথনি বিকাশ কৰি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলাইছে। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰপৰা ক্ৰীড়া প্ৰতিভা বিকশাই তোলাৰ বাবেও চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

০০০০০০

অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। খানাপাৰাৰ জ্যোতিবিষ্ণু সাংস্কৃতিক প্ৰেক্ষাগৃহত এই শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীত সাক্ষাৎ কৰাৰ পাছতে কালি এই কথা ঘোষণা কৰে।

বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি সংবাদ মাধ্যমৰ আগত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সন্দৰ্ভত সদৰি কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ শৰ্মা আৰু দলৰ কেন্দ্ৰীয় নেতৃত্বই মন্ত্ৰীত্ব প্ৰদান সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব।

(বাইট ঃ মল্লবৰুৱা)

০০০০০

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত জিকৰুল হাছান ফাহাদে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু বাংলাদেশৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ মাজত শৈক্ষিক আদান-প্ৰদান, যুটীয়া গৱেষণা আদি কৰাৰ বাবে এই কাৰ্যসূচী অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য জিতেন হাজৰিকাৰ নেতৃত্বত অনুষ্ঠিত আলোচনাত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱাল, অধ্যাপক দেৱ কুমাৰ চক্ৰৱৰ্তী, সুৰজিত বৰকটকী আৰু অংকুৰ ভৰালীয়ে অংশগ্ৰহণ কৰে

০০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে আজি ৰিভাৰ ৰাফটিং আৰু হাতী ছাফাৰী বন্ধ হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ বিষয়া প্ৰাঞ্জল তালুকদাৰে এই কথা সদৰি কৰে। পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত এই ব্যৱস্থা বন্ধ থাকিব বুলি তেওঁ কয়। অহা ২৫ জুনলৈ পৰ্যটকসকলে ৰাষ্ট্ৰীয় উদ্যানখনত জীপ ছাফাৰী কৰিব পাৰিব। উদ্যানখনলৈ এইবাৰৰ পৰ্যটন বৰ্ষত ৬২ হাজাৰৰো অধিক পৰ্যটকৰ আগমন ঘটিছে বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

(বাইট)

০০০০০০

রাজ্যজুৰি আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ সংখ্যক আৱিৰ্ভাব মহোৎসৱ পালন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা  সত্ৰ-নামঘৰসমূহত নাম-কীৰ্তন, ঘোষা, ভাগৱতপাঠ আদি কাৰ্যসূচী অনুষ্ঠিত হয়। কোনো কোনো ঠাইত নিশাৰ ভাগলৈ ভাওনাৰো আয়োজন কৰা হৈছে। মহাপুৰুষজনাৰ জন্মস্থান লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ লেতেকু পুখুৰীত এই উপলক্ষে বিশেষ কাৰ্যসূচী লোৱা হৈছে। মহোৎসৱ উপলক্ষে নাম-কীৰ্তন, প্ৰসংগ আজি আয়োজন কৰা হৈছে। এই সন্দৰ্ভত এগৰাকী উদ্যোক্তাই এইদৰে কয়-

*(বাইট)*

গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহত নৈমিত্তিক প্ৰসংগৰ লগতে ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদি অনুষ্ঠিত হৈছে। শ্ৰীশ্ৰী মাধৱদেৱৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰত এই আৱিৰ্ভাৱ মহোৎসৱ উলহ-মালহেৰে আয়োজন কৰা হৈছে।

বটদ্ৰৱা থান আৰু মাজুলীৰ সত্ৰসমূহতো গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ডিব্ৰুগড় জিলাৰ প্ৰায়বোৰ অঞ্চলত মহাপুৰুষজনাৰ জয়ন্তী পৰম্পৰা আৰু ৰীতি-নীতি বৰ্তাই ৰাখি পালন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ডিব্ৰুগড় জিলা শাখাৰ অন্তৰ্গত আঞ্চলিক আৰু প্ৰাথমিক শাখাৰ নামঘৰত আজি এই মহোৎসৱ পালন কৰা হয়। গুৱাহাটী মহানগৰীৰ নামঘৰসমূহত আজি পুৱাৰেপৰা নাম-কীৰ্তনৰ আয়োজন কৰা হৈছে। বামুণীমৈদামৰ শ্ৰীমন্ত শংকৰদেৱ সমাজ কীৰ্তনঘৰত ভকত-বৈষ্ণৱসকলে পুৱাৰেপৰা নাম পৰিৱেশন কৰে।

পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী হাইস্কুলতো আজি মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ সহকাৰী প্ৰধান শিক্ষক জগদীশ চন্দ্ৰ ৰয়ে গুৰুজনাৰ প্ৰতিচ্ছবিত চাকি-ধূপ প্ৰজ্বলন কৰে। ইয়াৰ পাছতে বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলে গুৰুজনাৰ প্ৰতিচ্ছবিত সেৱা জনায়। বিদ্যালয়খনৰ অসমীয়া বিভাগৰ শিক্ষক নৰজিৎ চৌধুৰীয়ে মহাপুৰুষজনাৰ কৰ্মজীৱন আৰু সাহিত্যৰাজিত আলোকপাত কৰে। মহাপুৰুষজনাৰ জয়ন্তী উপলক্ষে ষষ্ঠৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত **মহাপুৰুষ মাধৱদেৱ** বিষয়ক ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিটো শ্ৰেণীৰ ভিতৰত প্ৰথম, দ্বিতীয় আৰু তৃতীয় এই তিনিটা স্থান লাভ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে পুৰস্কাৰ প্ৰদান কৰাৰ কথা আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ধুবুৰী জিলাতো আজি শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত হৈছে। এই উদ্দেশ্যে পুৱাৰেপৰা গোলকগঞ্জৰ ৰামৰাইকুটী সত্ৰত ভালেসংখ্যক লোক সমবেত হৈ বিভিন্ন কাৰ্যসূচীৰে গুৰুজনাৰ সৃষ্টিক স্মৰণ কৰিছে। জিলাখনৰ সাপটগ্ৰামৰ লীলানন্দ পাগলাবাবাৰ আশ্ৰমতো এই মহোৎসৱ অনুষ্ঠিত হৈছে।

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে গুৰুজনাক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ডº শৰ্মাই কয়, যে জ্ঞান, ভক্তি আৰু মানৱতাৰ অমৃত বাণীৰে যুগে যুগে পথ প্ৰদৰ্শন কৰি থকা মহাপুৰুষজনা আমাৰ জাতীয় জীৱনৰ প্ৰেৰণাৰ অমল উৎস। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ আৱিৰ্ভাৱ তিথি উপলক্ষে গুৰুজনালৈ সেৱা জনাইছে। সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত শ্ৰী সোণোৱালে ভক্তি-মানৱতা-সমতা আৰু ভাতৃত্ববোধৰ আদৰ্শৰে মহাপুৰুষজনাই জাতি-বৰ্ণ-ধৰ্মৰ সীমা অতিক্ৰমী সমন্বিত সমাজ গঢ়াৰ পথ নিৰ্দেশ দিছিল বুলি উল্লেখ কৰে।

০০০০০০

যশস্বী কবি-গীতিকাৰ ডº নিৰ্মলপ্ৰভা বৰদলৈৰ আজি পূণ্যতিথি উপলক্ষে শ্ৰদ্ধা নিবেদন কৰা হৈছে। বহু সুৰীয়া গীতৰ কথাৰে শ্ৰোতাৰ মনত নিগাজিকৈ স্থান লাভ কৰা লোক-সংস্কৃতিৰ এইগৰাকী গৱেষকে 'সুদীৰ্ঘ দিন আৰু ঋতু' শীৰ্ষক কাব্য সংকলনৰ বাবে ১৯৮৩ চনত সাহিত্য একাডেমী বঁটাৰে সন্মানিত হৈছিল। এই গ্ৰন্থখন বাংলা, পঞ্জাৱী, হিন্দী, উৰিয়াকে ধৰি কেইবাটাও ভাষালৈ অনুদিত হৈছিল। ডº বৰদলৈ ৰচিত গীতসমূহত ঊষা মংগেশকাৰ, ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, দীপালী বৰঠাকুৰকে ধৰি খ্যাতিমান শিল্পীসকলে কণ্ঠ নিগৰাইছে। ১৯৯১ চনত অসম

সাহিত্য সভাৰ দুখনৈ অধিৱেশনত তেওঁ সভাপতিৰ পদত অধিষ্ঠিত হৈছিল। কেইবাখনো গীতৰ সংকলন, কাব্য সংকলন, শিশু সাহিত্য আৰু সম্পাদনা গ্ৰন্থ, আত্মজীৱনীকে ধৰি ভালেসংখ্যক লেখাৰে অসমীয়া সাহিত্য সমৃদ্ধ কৰা বৰদলৈক ১৯৫৭ চনত শিশু সাহিত্যিকৰূপে ৰাষ্ট্ৰপতি বঁটা আগবঢ়োৱা হৈছিল। ১৯৮৭ চনত অসম সংস্কৃত সমাজৰ পৰা তেওঁ সৰস্বতী উপাধিৰে বিভূষিত হৈছিল। ২০০৪ চনৰ আজিৰ দিনটোত এইগৰাকী বিশিষ্ট সাহিত্যিকৰ দেহাৱসান ঘটে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানত আজি সাহিত্যিকগৰাকীৰ পূণ্য তিথি উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শতদল সাহিত্য সভাৰ উদ্যোগত আজি বিশেষ কাৰ্যসূচী লোৱা হৈছে। এই অনুষ্ঠানতে শিশু সাহিত্যিক হৃষিকেশ গোস্বামীক ড০ নিৰ্মলপ্ৰভা বৰদলৈ সাহিত্য বঁটাৰে সন্মানিত কৰা হয়।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ডং নিৰ্মলপ্ৰভা বৰদলৈৰ পূণ্যতিথি উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰিছে। সাহিত্য গৱেষণা আৰু সংস্কৃতিৰ প্ৰতি তেওঁৰ অনবদ্য অৱদানে যুগে যুগে সমাজক আলোকিত কৰি থাকিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বৰদলৈৰ স্মৃতি দিৱস উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰি দিয়া বাৰ্তাত কবি, সাহিত্যিক, গীতিকাৰ, গৱেষক আৰু শিক্ষাবিদ হিচাপে তেওঁৰ অৱদান অসমৰ জনজীৱনত স্মৰণীয় হৈ থাকিব বুলি উল্লেখ কৰে।

০০০০০০

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই ইতিমধ্যে গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ চলি আছে। চিৰাং জিলাত আজি আসন্ন লোকপিয়লৰ বাবে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হয়। লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত গৃহ তালিকা আৰু গৃহ পিয়লৰ ধাৰণা, পদ্ধতি আৰু কাৰ্যকৰী নিৰ্দেশনাৰ সৈতে বিষয়াসকলক পৰিচিত কৰাৰ উদ্দেশ্যে এই প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। জিলাখনক ছটা লোকপিয়ল কেন্দ্ৰত বিভক্ত কৰা হৈছে। ইয়াৰে বিজনী, ছিদলী আৰু বেংতল গ্ৰামাঞ্চলক সামৰি লোৱাৰ বিপৰীতে বিজনী, বাসুগাঁও আৰু কাজলগাঁৱে চহৰ অঞ্চলক সামৰি লৈছে।

উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে এমাজন আৰু চৰকাৰী ই-মাৰ্কেট প্লেচত ইয়াৰ বহুল প্ৰচাৰিত ইক' শ্বপ মুকলি কৰিছে। প্ৰান্তীয় সম্প্ৰদায়ৰ লোকসকলৰ দ্বাৰা স্থানীয়ভাৱে তৈয়াৰী জৈৱ-বৈচিত্ৰ্য সম্পৰ্কিত সামগ্ৰীসমূহ এখন বহল বজাৰৰ জৰিয়তে বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। এই ই-মাৰ্কেট প্লেচে কাজিৰঙাৰ সমৃদ্ধ ঐতিহ্য বহন কৰাৰ লগতে দাঁতিকাষৰীয়া গাঁৱৰ শিল্পী আৰু উৎপাদক গোটসমূহৰ বাবে এখন শক্তিশালী বজাৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে কাজিৰঙা ষ্টাফ ৱেলফেয়াৰ ছ'চাইটীয়ে পৰিচালনা কৰা এই ইক' শ্বপসমূহে আৰম্ভণিৰ দুবছৰৰ ভিতৰতে আশানুৰূপ অগ্ৰগতি লাভ কৰা পৰিলক্ষিত হৈছে। এই ইক' শ্বপে ২০২৫-২৬ বৰ্ষত ১ কোটি ৮৭ লাখ টকাৰ সামগ্ৰী বিক্ৰীৰে ২০২৪-২৫ বৰ্ষৰ ১ কোটি ২৪ লাখ টকাৰ সামগ্ৰী বিক্ৰীৰ অভিলেখ ভংগ কৰিছে।

০০০০০০

বড়োলেণ্ড বিশ্ববিদ্যালয়ত সমৰ্থ মডিউল আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ বিষয়ক লৈ আয়োজন কৰা তিনিদিনীয়া শিক্ষক সন্মিলনৰ আজি সামৰণি পৰে। বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু বি টি চি শিক্ষা বিভাগৰ যুটীয়া উদ্যোগত

অনুষ্ঠিত এই প্ৰশিক্ষণ তথা কৰ্মশালাখনৰ মূল লক্ষ্য আছিল অংশগ্ৰহণকাৰীসলক সমৰ্থ মডিউলৰ সৈতে পৰিচয় কৰোৱাৰ লগতে শিক্ষক তথা শৈক্ষিক প্ৰশাসকসকলক ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰূপায়ণৰ বিভিন্ন দিশসমূহ আলোচনা কৰিবলৈ এখন মঞ্চ প্ৰদান কৰা।

oooooo

ওডালগুৰি জিলাৰ ওৰংগাজুলি চাহ বাগিচা ফুটবল খেলপথাৰত অনুষ্ঠিত উড়াণ ইউ-20 ফুটবল প্ৰতিযোগিতাত হৰচুৰা চাহ বাগিচাই বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। আজি অনুষ্ঠিত ফাইনেলত দলটোৱে ৰঙাপাৰা এফ চিক ৪-২ গ'লৰ ব্যৱধানত পৰাজিত কৰে। উল্লেখযোগ্য যে, উড়াণ ইউ-20 সীমান্ত কন্যা ফুটবল প্ৰতিযোগিতা অসমৰ মহিলা ফুটবলৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈছে।

oooooo

নগাঁও চহৰৰ লাওখোৱা পথৰ নিবাসী বিশিষ্ট সমাজসেৱক ভাৰত চন্দ্ৰ গোস্বামীৰ আজি দিনৰ ১১ বজাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ। নগাঁৱৰ বহুকেইটা আগশাৰীৰ অনুষ্ঠিনৰ সৈতে জড়িত থকা গোস্বামীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

oooooo

**সমাপ্ত**